ঠানিৰে গাত কোবাই মহ, মাখি, ডাঁহ আদি খেদি গৰুৰ সুস্বাস্থ্য কামনাৰ্থে লাও, বেঙেনা আদিৰ চাকেৰে মালাৰ দৰে গাঁঠি ডিঙিত আঁৰি দিয়ে। গৰখীয়াই ‘লাও খা, বেঙেনা খা, বছৰ বছৰ বাঢ়ি যা/ মাৰৰ সৰু বাপেৰৰ সৰু তই হ’বি বৰ বৰ গৰু’ বুলি গৰুক আশীৰ্বাদ দিয়ে।

দ্বিতীয় দিনাৰ মানুহবিহু পালন কৰা হয় প্ৰথম বহাগত। সেইদিনা সৰুৱে ডাঙৰক সেৱা জনায়, ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে, ন-বস্ত্ৰ উপহাৰ দিয়ে বা পৰিধান কৰায়, বিহুৱানেৰে সন্মান আৰু মৰম জনায়, গধূলিৰ ভাগত গৃহস্থৰ চোতালে চোতালে হুঁচৰি গায়।

তৃতীয় দিনাৰ কুটুমবিহু পালন কৰা হয় বহাগৰ দ্বিতীয় দিনা। সেইদিনা সনাতনধৰ্মী বৈষ্ণৱপন্থীসকলে নামঘৰ বা সত্ৰ, শাক্ত আৰু শৈৱপন্থীসকলে মন্দিৰ বা থানত সেৱা জনায়, মাহ-প্ৰসাদ বিতৰণ কৰে, নাম-কীৰ্তন গায়। সেইবাবে এই দিনটোক গোসাঁইবিহু বুলিও জনা যায়। কাৰণ নামঘৰ, সত্ৰ, মন্দিৰ, থান আদিক একেলগে গোসাঁই ঘৰ বুলি কোৱা হয়। গোসাঁইবিহুৰ দিনাও গৃহস্থৰ চোতালে চোতালে হুঁচৰি গায়।

চতুৰ্থদিনাৰ চেনেহী বা মাইকীবিহু পালন কৰা হয় বহাগৰ তৃতীয় দিনা। সেইদিনা মহিলাসকলে লগ হৈ ফুৰে, হেঁপাহেৰে বিহু নাচে। মহিলাসকলে নচা বিহুনাচক জেংবিহু বা টকা বিহু বা বোৱাৰী বিহু বা গাভৰু বিহু বুলি জনা যায়। দুগৰাকী গাভৰুৰ তত্বাৱধানত জীয়ৰী-বোৱাৰীসকলে ঘৰৰপৰা আঁতৰৰ পথাৰ বা নদীৰ পাৰৰ বৰগছ, বগৰীগছ বা আঁহত গছৰ তলত গধূলিপৰলৈকে নাচে। সেইদিনা ডেকাসকলে গৃহস্থৰ চোতালে চোতালে হুঁচৰি গায়।

পঞ্চমদিনাৰ নাঙল বা তাঁতবিহু পালন কৰা হয় বহাগৰ চতুৰ্থ দিনা। সেইদিনা গৃহস্থই খেতিৰ বাবে নাঙল-যুঁৱলি প্ৰস্তুত কৰে। গধূলি গৃহস্থৰ চোতালে চোতালে হুঁচৰি গায়। মহিলাসকলে তাঁতশালৰ যতন লয়।

ষষ্ঠদিনাৰে মেলাবিহু বা হাটবিহু পালন কৰা হয় বহাগৰ পঞ্চম দিনা। সেইদিনা গাঁৱৰ ৰাইজ ইঘৰ-সিঘৰলৈ ফুৰিবলৈ যায়। সম্ভাৱনাৰ মেল বহে, মেলা বা হাটলৈ গৈ বজাৰ-সমাৰ কৰে। গধূলিৰ ভাগত হুঁচৰি গায়।

সপ্তমদিনাৰ এৰাবিহু বা চেৰাবিহু পালন কৰা হয় বহাগৰ ষষ্ঠ দিনা। সেইদিনা বিহু উৰুৱাই হুঁচৰিৰ সমাপ্তি ঘটায়। বহু ঠাইত বিহুৱাসকলে হুঁচৰিৰ অন্তত ঢোলৰ কোবনি আৰু তালি ফটাই বিহুৰ সমাপ্তি ঘটাই ঘৰা-ঘৰি যাবলৈ এৰা-এৰি হয়; অৰ্থাৎ বিহুৰ চেৰ পেলায়। সেইবাবে বহাগৰ ষষ্ঠ দিনটোক এৰাবিহু বা চেৰাবিহু বুলি কোৱা হয়।

ৰঙালী বিহুৰ ঐতিহ্যৰ প্ৰতিফলন ঘটোৱা সাতবিহুৰ এনেধৰণৰ বৰ্গীকৰণৰ সৈতে অসমৰ বিভিন্ন ঠাইৰ বিভিন্ন জনগোষ্ঠীৰ বিহু সম্পৰ্কীয় পৰম্পৰাৰ তাৰতম্য ঘটিব পাৰে; আৰু তেনে তাৰতম্য ঘটাটো স্বাভাৱিক কথা। কাৰণ **প্ৰতি দহ কিল’মিটাৰ আঁতৰে আঁতৰে গ্ৰাম্য কথিত ভাষাৰ কথনভংগীৰ তাৰতম্য ঘটাৰ লেখীয়াকৈ উজনি, মধ্য আৰু নামনি অসমৰ অসমবাসীৰ মাজতো ৰঙালী বিহুৰ পৰম্পৰাগত বা পৰিৱেশনগত পাৰ্থক্য থাকিব পাৰে। বিহু যিহেতু ধৰ্মনিৰপেক্ষ উৎসৱ; সেয়ে সনাতন ধৰ্মৰ বাদে আন ধৰ্মৰ সৈতে জড়িত লোকে নিজস্ব পৰম্পৰাৰ মাজেৰে ৰঙালীৰ সাতবিহু পালন কৰিব পাৰে।** উজনি-নামনি, জনজাতি-অজনজাতি, সনাতনধৰ্মী-ইছলামধৰ্মী ইত্যাদি ভাগত অসমৰ বিহুপ্ৰেমী জনগণ বিভক্ত হ’লেও সাতবিহুৰ দুটা দিন সৰ্বস্তৰৰ লোকে একেধৰণে পালন কৰে। সেই দুটা দিন হ’ল গৰুবিহু আৰু মানুহবিহু। সাতবিহুৰ বাকী পাঁচটা দিন যথা, কুটুমবিহু, চেনেহীবিহু, তাঁতবিহু বা নাঙলবিহু, মেলাবিহু বা হাটবিহু আৰু এৰাবিহু বা চেৰাবিহু স্থানীয় বৈশিষ্ট্যৰে পালন কৰা হয়।

ঠিকনা ঃ জ্যেষ্ঠ প্ৰবক্তা, অণু-বিদ্যুৎ আৰু দূৰসংযোগ অভিযান্ত্ৰিক বিভাগ, প্ৰিন্স অব ৱেলছ অভিযান্ত্ৰিক আৰু প্ৰযুক্তি প্ৰতিষ্ঠান, যোৰহাট-৭৮৫০০১, ফোন ঃ ৯৪৩৫১০৯৭৬৪

# বিহু আৰু বিতৰ্ক

**নিতুল চাংমাই**

অসমৰ বৰ সংস্কৃতি বুলি ক’লে বিহুৰ কথাকে সততে মনলৈ আহে। কাৰণ অসমৰ প্ৰায় প্ৰতিটো জনগোষ্ঠীয়ে বিহু পালন কৰে। জনগোষ্ঠীসমূহে তেওঁলোকৰ নিজ নিজ পৰম্পৰাৰে পালন কৰা এই বিহু কিন্তু ইটোৰ লগত সিটোৰ সাদৃশ্য আছে। এই সাদৃশ্যই বিহুক অসমৰ ঐক্য, সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক হিচাপে আগুৱাই নিয়াৰ লগতে উৎসৱটোক অসমৰ বৰ সংস্কৃতিলৈ ৰূপান্তৰ কৰিছে। পিছে বিহুটোৱে সকলো জনগোষ্ঠীক একতাৰ ডোলেৰে বান্ধি ৰাখিলেও ই বিতৰ্কৰপৰা হাত সাৰিব পৰা নাই। বিশেষকৈ বহাগ মাহত উৎসৱটোৱে বিভিন্ন বিতৰ্কৰ মাজত সোমাই পৰে। এজনে যদি এইটোহে কৰিব লাগে বুলি কয়, আনজনে তাক নালাগে বুলি কৈ বিতৰ্কৰ সূত্ৰপাত ঘটায়। বিহুৰ দৰে মহীয়ান লোক-সংস্কৃতিক এনে বিতৰ্কত সোমোৱাৰ কোনো প্ৰয়োজন নাই যদিও এচাম লোকে কেৱল নিজৰ জনপ্ৰিয়তাৰ বাবে বছৰ বছৰ ধৰি তাকে কৰি আহিছে। বিহুক লৈ কৰা এই বিতৰ্কবোৰ মূলতঃ দুটা দিশৰপৰা সৃষ্টি হয়। প্ৰথমটো হৈছে— লেখক, বিহু বিশেষজ্ঞ আৰু বিচাৰকসকলৰ ভিন্ন মত। একেজন লেখক বা বিহু বিশেষজ্ঞৰ যদি দ্বিমত হয়; ইজনে সিজনৰ মত গুৰুত্বসহকাৰে মানি নলৈ টুলুঙা মন্তব্যৰে মিডিয়াৰ আগত অথবা লিখা-মেলা কৰি তালফাল লগায়; নাইবা অতীতৰপৰা চলি অহা এটা পৰম্পৰাক নতুন নাম দি এইটো নিয়ম ‘মই প্ৰৱৰ্তন কৰিছোঁ’ বুলি দাবী কৰে, তেতিয়াই বিষয়টো অধিক জটিলতৰ হৈ পৰে আৰু উত্তৰ প্ৰজন্মৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হয়। দ্বিতীয়তে, বিহুৰ ইতিহাস আৰু পৰম্পৰাক আঁতিগুৰি মাৰি অধ্যয়ন নকৰাকৈ টুলুঙা তথা তৰল যুক্তিৰে মন্তব্য দি নিজৰ অস্তিত্ব প্ৰতিপন্ন কৰিব খোজাটো। ইয়াৰ জৰিয়তে মানুহজনে নিজকে জাহিৰ কৰি প্ৰমাণ কৰিব খোজে যে তেওঁহে প্ৰকৃত পৰম্পৰাক ধৰি ৰাখিছে। আমাৰ সমাজত এনে বহু লোক আছে, যি কেমেৰাৰ সন্মুখত বৰ বৰ কথা কয়; ধৰ্মীয় ৰহণ লগাই পক্ষপাতিত্বমূলকভাৱে লিখা-মেলা কৰে অথবা কেমেৰাৰ সন্মুখত মত ব্যক্ত কৰে। এই কাৰ্যবোৰে নতুন প্ৰজন্ম বা সমাজখনক বিপথে পৰিচালিত কৰাই নহয়, ই লোকসংস্কৃতি, পৰম্পৰাৰো পৰিপন্থী। আমি এই গোটেই বিষয়বোৰ আলোচনালৈ টানি আনিব খোজা নাই। কেৱল বিতৰ্কৰ অৱকাশ থকা কেইটামান বিষয়হে আলোচনা কৰিব খুজিছোঁ। আলোচ্য বিষয়কেইটাৰ আজি কেইবা দশক ধৰি ভুল ব্যাখ্যা কৰি অহা হৈছে।

## সাতবিহু প্ৰসংগ

আমাৰ গ্ৰন্থ ‘বিহুৰ ইতিহাস আৰু পৰম্পৰা’ত বিশিষ্ট বিহু-বিশেষজ্ঞ জয়কান্ত গন্ধীয়াদেৱে ‘এই সময়ৰ সফল গ্ৰন্থ’ শীৰ্ষক পাতনিত লিখিছিল—“সাতবিহু সম্পৰ্কেও কিছু বিৰ্তকৰ অৱকাশ নথকা নহয়, সাতবিহুৰ স্থানীয় বৈশিষ্ট্য-ৰূপ-নাম কিছু বেলেগ বেলেগ হয়। ৰাতিবিহু বা চ’তৰ বিহুক সাতবিহুৰ